# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-12-2024
**Time :** 1910 hrs

## *Assamese Evening Bulletin*
## HEADLINES

১। সংসদৰ শীতকালীন অধিবেশন আজিৰে পৰা অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হৈছে।

২। চৰকাৰে বিত্তীয় বৰ্ষত মহিলা আৰু ছোৱালীৰ বাবে ৩ লাখ ২৭ হাজাৰ কোটি টকা আবণ্টন দিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে কুৱেইটলৈ যাব।

৪। হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ভাৰতীয় ৰাষ্ট্ৰীয় লোক দলৰ নেতা ওম প্ৰকাশ চৌতালাৰ আজি হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হয়।

*আৰু*

৫। প্ৰধানমন্ত্ৰীৰ বিনামূলীয়া সূৰ্য ঘৰ আঁচনিৰ অধীনত এতিয়ালৈকে দেশত ৬ লাখ ৩০ হাজাৰ গৃহক সামৰি লোৱা হৈছে।

ooooo

সংসদৰ শীতকালীন অধিবেশন আজিৰে পৰা অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হৈছে। লোকসভা আৰু ৰাজ্যসভাৰ এইবাৰৰ অধিবেশনৰ আজি অন্তিম দিনাও বিশেষ কোনো কাম-কাজ নোহোৱাকৈ সামৰণি পৰে। সংবিধান প্ৰণেতা ড০ বি আৰ আম্বেদকাৰক অপমান কৰা বুলি উঠা অভিযোগ প্ৰতি-অভিযোগৰ মাজত যোৱা দুদিনত সৃষ্টি হোৱা অভূতপূৰ্ব হুলস্থূলীয়া পৰিস্থিতি আজিও শাম কটা পৰিলক্ষিত নহ'ল। লোকসভাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ সময়তে আজি বিৰোধী পক্ষৰ সদস্যসকলে অধ্যক্ষৰ আসনৰ সন্মুখলৈ উঠি আহি ধ্বনি দিবলৈ আৰম্ভ কৰে। অধ্যক্ষই সদস্যসকলক ক্ষান্ত হ'বলৈ বাৰম্বাৰ অনুৰোধ জনোৱাৰ মাজতে আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ১৯৬৩ চনৰ কেন্দ্ৰীয় শাসিত অঞ্চল আইন, ১৯৯১ চনৰ ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল দিল্লী আইন আৰু ২০১৯ চনৰ জম্মু আৰু কাশ্মীৰ পুনৰগঠন আইনক যুটীয়া সংসদীয় কমিটীলৈ প্ৰেৰণ কৰা হৈছে বুলি ঘোষণা কৰে।

ৰাজ্যসভাতো আজি অনুৰূপ ধৰণে হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাত সভাপতি জগদীপ ধনখড়ে প্ৰথমে দিনৰ ১২ বজালৈ আৰু পাছত সদনৰ অধিবেশন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে। তেওঁৰ সামৰণি মন্তব্যত ধনখড়ে আক্ষেপ কৰি কয়, যে এইবাৰৰ শীতকালীন অধিবেশনত উচ্চ সদনত কেৱল ৪৩ ঘণ্টাহে কাম-কাজ চলে আৰু ই দেশৰ জনসাধাৰণৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

ooooo

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংসদৰ দুয়োখন সদনৰ শীতকালীন অধিবেশনৰ কাম-কাজ আশানুৰূপ নোহোৱা বুলি আক্ষেপ প্ৰকাশ কৰিছে। আজি সংসদৰ অধিবেশন অনিৰ্দিষ্ট কাললৈ স্থগিত হোৱাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ৰিজিজুৱে কয়, যে এইবাৰ লোকসভাত মুঠ ২০টা কৰ্মদিন আৰু ৰাজ্যসভাত ১৯টা কৰ্মদিন আছিল যদিও লোকসভাত প্ৰায় ৫৪ শতাংশ আৰু ৰাজ্যসভাত প্ৰায় ৪০ শতাংশ কাম-কাজহে সম্পন্ন হয়। মন্ত্ৰীগৰাকীয়ে কয়, এইবাৰৰ অধিবেশনত লোকসভাত চাৰিখন আৰু ৰাজ্যসভাত তিনিখন বিধেয়ক গৃহীত হয়। ২০২৪ৰ ভাৰতীয় বায়ু যান বিধেয়কখনত এইবাৰৰ অধিবেশনতে দুয়োখন সদনে অনুমোদন জনায়। সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱোজ্জ্বল যাত্ৰা সন্দৰ্ভত লোকসভা আৰু ৰাজ্যসভাত বিশেষ আলোচনা আছিল এইবাৰৰ অধিবেশনৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰ্যসূচী।

ooooo

চৰকাৰে চলিত বিত্তীয় বৰ্ষত মহিলা আৰু ছোৱালীৰ বাবে ৩ লাখ ২৭ হাজাৰ কোটি টকা আবণ্টন দিছে। এই পৰিমাণ যোৱা বিত্তীয় বছৰৰ তুলনাত ৩৭ শতাংশৰো অধিক। মহিলা আৰু শিশু বিকাশ ৰাজ্যমন্ত্ৰী সাবিত্ৰী ঠাকুৰে আজি লোকসভাত এটা লিখিত উত্তৰত এই কথা সদৰি কৰে। তেওঁ কয় যে চলিত বিত্তীয় বৰ্ষত কেন্দ্ৰীয়

বাজেটত লিংগ বাজেটৰ অংশ ২০২৩-২৪ বৰ্ষৰ ৫ দশমিক ৩ শতাংশৰ পৰা ৬ দশমিক ৮ শতাংশলৈ বৃদ্ধি কৰা হৈছে।

০০০০০

২০২৪ খাৰিফ বৰ্ষ আৰু চলিত ৰবি বৰ্ষত সাৰ বিভাগে সমগ্ৰ দেশত সাৰৰ পৰ্যাপ্ত যোগান সুনিশ্চিত কৰিছে। লোকসভাত আজি এটা লিখিত উত্তৰত ৰসায়ন আৰু সাৰ মন্ত্ৰী জে পি নাড্ডাই এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে অনলাইন ৱেব আধাৰিত সংহত সাৰ নিৰীক্ষণ প্ৰণালীৰ জৰিয়তে সমগ্ৰ দেশত ৰেহাই মূল্যত যোগান ধৰা গুৰুত্বপূৰ্ণ সাৰৰ সৰবৰাহ নিৰীক্ষণ কৰি থকা হৈছে। তেওঁ আৰু কয়, যে ৰাজ্যসমূহৰ কৃষি বিষয়াসকলৰ সৈতে কৃষি আৰু কৃষক কল্যাণ বিভাগ আৰু সাৰ বিভাগে নিয়মিতভাৱে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠকত মিলিত হৈ আছে। বিগত পাঁচ বছৰত কোনো এখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত কীটনাশকৰ নাটনি হোৱাৰ বাতৰি পোৱা হোৱা নাই বুলি তেওঁ লগতে জানিবলৈ দিয়ে। তেওঁ আৰু কয়, যে ইউৰিয়া, ডি এ পি আদিৰ লেখিয়া সাৰৰ ৰপ্তানি ক্ষেত্ৰত ভাৰত স্বনিৰ্ভৰশীল হৈ উঠিছে।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি জয়ছলমেৰৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিত্ত মন্ত্ৰীসকলৰ সৈতে প্ৰাক্-বাজেট আলোচনাত মিলিত হয়। বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধুৰীয়ে আলোচনাত উপস্থিত থাকে। গোৱা, হাৰিয়ানা, জম্মু-কাশ্মীৰ, মেঘালয় আৰু ওড়িশাৰ মুখ্যমন্ত্ৰীৰ লগতে অৰুণাচল প্ৰদেশ, বিহাৰ, মধ্য প্ৰদেশ, ৰাজস্থান আৰু তেলেংগানাৰ উপ-মুখ্যমন্ত্ৰীসকলেও বৈঠকত ভাগ লয়। বিত্ত মন্ত্ৰীগৰাকীয়ে কাইলৈ জয়ছলমেৰত হ'বলগীয়া সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ ৫৫ সংখ্যক বৈঠকত অধ্যক্ষতা কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে কুৱেইটলৈ যাব। তেওঁ কুৱেইটৰ আমিৰ শ্বেখ মেছল অল আহমেদ অল জাবেৰ  অল চাবাহৰ আমন্ত্ৰণ মৰ্মে দেশখনলৈ যাব। এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে কুৱেইটৰ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁ দেশখনত থকা প্ৰৱাসী ভাৰতীয়সকলৰ সৈতেও মত-বিনিময় কৰিব। নতুন দিল্লীত আজি সন্ধিয়া সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব অৰুণ কুমাৰ চেটাৰ্জীয়ে কয়, যে বিগত ৪৩ বছৰত এয়া হ'ব কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম কুৱেইট ভ্ৰমণ। তেওঁ কয় যে ভাৰত আৰু কুৱেইটৰ মাজত প্ৰাচীন কালৰে পৰা ঐতিহাসিক, শক্তিশালী আৰ্থিক লেনদেন আৰু সাংস্কৃতিক সম্পৰ্ক আছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰীয়ে যোৱা ছেপ্তেম্বৰত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ অধিবেশনৰ আপাহতে কুৱেইটৰ যুৱৰাজক সাক্ষাৎ কৰিছিল।

০০০০০

হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ভাৰতীয় ৰাষ্ট্ৰীয় লোক দলৰ নেতা ওম প্ৰকাশ চৌতালাৰ আজি হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ গুৰুগ্ৰামৰ এখন হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৯ বছৰ। ১৯৮৯ চনত প্ৰথমবাৰলৈ হাৰিয়ানাৰ মুখ্যমন্ত্ৰীৰ আসনত বহা চৌতালাই অভিলেখ সংখ্যক পাঁচটা কাৰ্যকালৰ বাবে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। পৰিয়াল সূত্ৰে ৰাজনীতিলৈ অহা চৌতালাই ৰাজনীতিৰ প্ৰথম পাঠ তেওঁৰ পিতৃ প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী দেৱী লালৰ পৰা লৈছিল আৰু নৱম দশকত চৌতালা হাৰিয়ানাৰ অপ্ৰতিদ্বন্দ্বী নেতাৰূপে পৰিগণিত হৈছিল। পৰৱৰ্ত্তী কালত তেওঁৰ বিৰুদ্ধে ব্যাপক দুৰ্নীতিৰ অভিযোগ উঠে আৰু ১৯৯৯ চনৰ পৰা ২০০০ চনৰ ভিতৰত হাৰিয়ানাত শিক্ষক নিযুক্তি কেলেংকাৰিত দোষী সাব্যস্ত হৈ চৌতালাই ২০১৩ চনৰ পৰা কাৰাবাস খাটিবলগীয়া হয়। ২০২১ চনত তেওঁ কাৰাগাৰৰ পৰা মুক্তি লাভ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়েব সিং ছেইনী, প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা ভূপিন্দৰ সিং হুদাকে ধৰি ভালেকেইগৰাকী নেতাই ওম প্ৰকাশ চৌতালাৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰীৰ বিনামূলীয়া সূৰ্য ঘৰ আঁচনিৰ অধীনত এতিয়ালৈকে দেশত ৬ লাখ ৩০ হাজাৰ গৃহক সামৰি লোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি কলকাতাত পশ্চিম বংগ, বিহাৰ, ওড়িশা, ঝাৰখণ্ড আৰু উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত সংশ্লিষ্ট বিষয়াবৰ্গৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰি এই আঁচনিখন ৰূপায়ণৰ বিষয়ে পৰ্যালোচনা কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিখন চৰকাৰৰ এখন গুৰুত্বপূৰ্ণ দীৰ্ঘম্যাদী আঁচনি। আঁচনিখনৰ ৰূপায়ণৰ বাবে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অংশীদাৰসকলক শ্ৰীযোশীয়ে আহ্বান জনায়।

০০০০০

উচ্চতম ন্যায়ালয়ে দিল্লী-নয়দা সংযোগী ফ্লাই ৱে'ৰ যাত্ৰী আৰু বাহনৰ ওপৰত শুল্ক আৰোপ কৰিবলৈ নয়দা ট'ল ব্ৰীজ কোম্পানী লিমিটেড চমুকৈ এন টি বি চি এলে জনোৱা আবেদন খাৰিজ কৰিছে। ন্যায়াধীশ সূৰ্যকান্ত আৰু ন্যায়াধীশ উজ্জ্বল ভূঞাক লৈ গঠিত খণ্ড আদালতে ২০১৬ চনত এলাহবাদ উচ্চ ন্যায়ালয়ে দিয়া এটা ৰায়ৰ প্ৰত্যাহ্বান জনাই এন টি বি চি এলে জনোৱা আবেদন সন্দৰ্ভত এই নিৰ্দেশ দিয়ে। ৰায়টোত উচ্চতম ন্যায়ালয়ে এন টি বি চি এলৰ সৈতে সম্পাদিত ঠিকা চুক্তিক অযুক্তিকৰ, অশুদ্ধ আৰু পক্ষপাতযুক্ত বুলি অভিহিত কৰে আৰু ট'ল আৰোপৰ বাবে এন টি বি চি এলৰ ওপৰত ন্যস্ত ক্ষমতা আইনসংগত নহয় বুলি মন্তব্য কৰে। খণ্ড আদালতে উত্তৰ প্ৰদেশৰ নিউ ওখ্‌লা ইণ্ডাষ্ট্ৰিয়েল ডেভেলপমেণ্ট অথৰিটী চমুকৈ নয়দা কৰ্তৃপক্ষই কোনো এটা কোম্পানীক এনে ট'ল আৰোপ কৰিবলৈ কৰ্তৃত্ব দিয়াটো ক্ষমতাৰ অপব্যৱহাৰ বুলি অভিহিত কৰে।

০০০০০

ৰাজস্থানৰ জয়পুৰ-আজমেৰ ৰাষ্ট্ৰীয় ঘাইপথত গেছ পৰিবাহী টেংকাৰত হোৱা অগ্নিকাণ্ডত নিহত লোকৰ সংখ্যা ৯লৈ বৃদ্ধি পাইছে। এই ঘটনাত অন্য ৩০জন লোক আহত হৈছে। আজি পুৱা এখন গেছ পৰিবাহী টেংকাৰে ৰিং ৰোডৰ সমীপৰ এখন ট্ৰাকত খুন্দিওৱাৰ পাছত ওচৰৰ কেইবাখনো বাহনত জুই লগাৰ ফলত এই ঘটনাটো ঘটে। এই অগ্নিকাণ্ডত ৪০খন বাহন ধ্বংস হয়। ইয়াৰ ভিতৰত ২৯খন ট্ৰাক আৰু দুখন শ্লিপাৰ বাছ আছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে এই ঘটনাত নিহত লোকসকলৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। ৰাজস্থানৰ ৰাজ্যপাল হৰিভাউ বাগ্‌ড়ে আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও এই ঘটনাক লৈ শোক প্ৰকাশ কৰিছে।

০০০০০

**সমাপ্ত**